**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-10-2024

**Time :** 1845 Hrs.

***Assamese Evening Bulletin***

১। অসমৰ ৫টা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পূৰ্বে থকা অঞ্চলসমূহ সামৰি নিৰ্বাচন।

২। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ আজি শুভ উদ্বোধন। নিৰ্বাচিত যুৱ উদ্যোগীক দুই লাখৰ পৰা ৫ লাখ পৰ্যন্ত টকাৰ অনুদান প্ৰদান।

৩। কেন্দ্ৰীয় গ্ৰামোন্নয়ন আৰু যোগাযোগ বিভাগৰ ৰাজ্যমন্ত্ৰী ডাঃ পেমাছান্নি চন্দ্ৰশেখৰৰ চৰাইদেউ জিলাত বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজৰ পৰ্যালোচনা। *আৰু*

৪। নিউজিলেণ্ডৰ বিৰুদ্ধে বাংগালুৰুত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ তৃতীয় দিনাৰ সামৰণিত দ্বিতীয় ইনিংছত ভাৰতৰ ৩ উইকেটৰ বিনিময়ত ২৩১ ৰান সংগ্ৰহ।

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে আজি অধিসূচনা জাৰি কৰা হৈছে। ইয়াৰ লগে লগে সমষ্টিকেইটাত মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। উল্লেখযোগ্য যে ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৫টা সমষ্টিত সৰ্বমুঠ ৯ লাখ ১০ হাজাৰ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰিব। নিৰ্বাচন হ'বলগীয়া সমষ্টিকেইটাত মুঠ এহেজাৰ ৭৮টা ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। এই পাঁচোটা সমষ্টিত সমষ্টি পুনৰ নিৰ্ধাৰণৰ পূৰ্বে থকা অঞ্চলসমূহ সামৰি এই নিৰ্বাচন অনুষ্ঠিত হ'ব।

উপ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় জনতা পাৰ্টি, অসম গণ পৰিষদ আৰু ইউ পি পি এল দলে নিৰ্বাচনী প্ৰস্তুতি অব্যাহত ৰাখিছে। ভাৰতীয় জনতা পাৰ্টিৰ মুখ্য মুখপাত্ৰ মনোজ বৰুৱাই দলটোৰ নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত এইদৰে কয়।

বাইট

ইপিনে, উপ নিৰ্বাচনৰ প্ৰস্তুতিৰে আজি কংগ্ৰেছ নেতৃত্বাধীন সংযুক্ত বিৰোধী মৰ্চাৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত কংগ্ৰেছৰ তত্বাৱধায়ক ড° জিতেন্দ্ৰ সিঙৰ উপস্থিতিত কংগ্ৰেছৰ নেতাসকলৰ লগতে বিৰোধী মৰ্চাৰ নেতাসকলে আসন্ন উপ-নিৰ্বাচনৰ বাবে প্ৰাৰ্থিত্বৰ ভাগ-বটোৱাৰা সন্দৰ্ভত আলোচনা কৰে। বিৰোধী মৰ্চাৰ বৈঠক সন্দৰ্ভত কংগ্ৰেছৰ জ্যেষ্ঠ নেতা বেদব্ৰত বৰাই এনেদৰে কয়।

বাইট

আনহাতে, ঝাৰখণ্ড বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবেও আজি অধিসূচনা জাৰি কৰা হ'ব। অহা ১৩ নৱেম্বৰত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত ৰাজ্যখনৰ ৪৩টা সমষ্টি সামৰি লোৱা হ'ব। ৰাজ্যখনত এইবেলি দুটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ২০ নৱেম্বৰত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কৰা হ'ব। অহা ২৩ নৱেম্বৰত ৰাজ্যখনত ভোট গণনা কৰা হ'ব।

উল্লেখযোগ্য যে, নিৰ্বাচন আয়োগে প্ৰথমবাৰৰ বাবে প্ৰাৰ্থীৰ বাবে অনলাইন মনোনয়ন দাখিলৰ সুবিধা প্ৰদান কৰিছে। ঝাৰখণ্ডৰ মুখ্য নিৰ্বাচনী বিষয়াকে ৰবি কুমাৰে কয় যে মনোনয়ন প্ৰপত্ৰ subidha.gov.in পোৰ্টেলত উপলব্ধ। একাউণ্ট প্ৰস্তুত কৰি প্ৰাৰ্থীসকলে মনোনয়ন প্ৰপত্ৰ পূৰণ কৰিব পাৰিব। ইয়াৰ লগতে প্ৰাৰ্থীসকলে শপতনামা অনলাইনতো পূৰণ কৰিব পাৰিব। প্ৰপত্ৰ পূৰণৰ পাছত প্ৰিণ্ট আউট কৰি ইয়াক ৰিটাৰ্ণিং বিষয়া ওচৰত মনোনয়নৰ সৈতে দাখিল কৰিব পাৰিব।

০০০

কৃষি ক্ষেত্ৰৰ শেহতীয়া তথ্য প্ৰযুক্তিসমূহ কৃষকৰ ওচৰ চপাই কৃষকসকলক সকাহ দিয়া উদ্দেশ্যেৰে অসম কৃষি বিশ্ববিদ্যালয়ে আজি আন্তঃৰাষ্ট্ৰীয় সংস্থা কেবিৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি গৱেষণা সঞ্চালকালয়ৰ সভাগৃহত আয়োজিত অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ কৃষি গৱেষণা সঞ্চালক ড০ সঞ্জয় কুমাৰ চেতিয়া আৰু কেবিৰ দক্ষিণ এছিয়াৰ আঞ্চলিক সঞ্চালক ড০ বিনোদ পণ্ডিতে এই বুজাবুজিৰ

চুক্তিত স্বাক্ষৰ কৰে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড০ বিদ্যুৎ চন্দন ডেকাৰ উপস্থিতিত স্বাক্ষৰিত এই চুক্তিৰ জৰিয়তে কেবিৰ শেহতীয়া উদ্ভাৱন প্লেন্ট ৰাইছ প্লাছৰ মাধ্যমেৰে কৃষকক তাৎক্ষণিকভাৱে কৃষিৰ লগত জড়িত অসুবিধা তথা কীট-পতংগ নিৰাময় আৰু ঔষধ প্ৰয়োগৰ লগতে বিভিন্ন দিশসমূহ সন্দৰ্ভত যাৱতীয় দিহা-পৰামৰ্শ প্ৰদান কৰা হ'ব। চুক্তি স্বাক্ষৰ অনুষ্ঠানত কেবিৰ দক্ষিণ এছিয়াৰ আঞ্চলিক সঞ্চালক ড০ বিনোদ পণ্ডিতে শস্যৰ ক্ষতিৰ অনুমান, পূৰ্বাভাস, ৰোগ আৰু কীট-পতংগৰ আগতীয়া সতৰ্কবাণীৰ বাবে তথ্য বিশ্লেষণ কৰি কৃষি আৰু কৃষকক সকাহ দিয়াৰ বাবে এই চুক্তিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ আজি শুভ উদ্বোধন কৰা হয়। দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত এটা অনুষ্ঠানত নিৰ্বাচিত উদ্যোগীলৈ দুই লাখৰ পৰা ৫ লাখ পৰ্যন্ত টকাকৈ আগবঢ়োৱা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰা অনুষ্ঠানটোত উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান ইত্যাদি বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকে।

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ বাবে আগ্ৰহী অৰ্হতাসম্পন্ন আবেদনকাৰীসকলে পঞ্জীয়ন কৰিব পাৰে। চি এম এ এ এ প'ৰ্টেল cmaaa.assam.gov.in ত প্ৰথমে নিজৰ নাম পঞ্জীয়ন কৰি পৰৱৰ্তী সময়ত তেওঁলোকৰ প্ৰকল্পৰ প্ৰতিবেদন জমা দিব পাৰিব। নিজৰ সম্পূৰ্ণ নাম, ম'বাইল নম্বৰ, ই-মেইল আই ডি আদি প্ৰদান কৰি প'ৰ্টেলত পঞ্জীয়ন কৰিব পাৰিব।

উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত  ইতিমধ্যে ৰাজ্যৰ ২৫ হাজাৰ যুৱ উদ্যোগীক ৫১০ কোটি টকা বিতৰণ কৰা হৈছে। যুৱ উদ্যোগীসকলে এই অনুদানৰ সহায়ত অসমৰ আন্তঃগাথনি উন্নয়নৰ বাবে কেৱল চাকৰিমুখী নহৈ বাণিজ্য তথা উদ্যোগৰ জগতত আদৰ্শ সৃষ্টি কৰিব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই আশা প্ৰকাশ কৰে।

বাইট

০০০

দুদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে আজি চৰাইদেউ জিলাত উপস্থিত হোৱা কেন্দ্ৰীয় গ্ৰামোন্নয়ন আৰু যোগাযোগ বিভাগৰ ৰাজ্যমন্ত্ৰী ডাঃ পেমাছান্নি চন্দ্ৰশেখৰে জিলাখনত ৰূপায়িত হৈ থকা বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজৰ বুজ লোৱাৰ লগতে অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰে। জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন সভাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে চৰকাৰী বিভাগসমূহৰ মুৰব্বী বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা, উদ্যোগ আৰু বাণিজ্য, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ অধীনত চলি থকা আঁচনিসমূহৰ খতিয়ান লয়। পৰ্যালোচনা বৈঠকত জিলাখনৰ জিলা আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, অতিৰিক্ত জিলা আয়ুক্ত, সোণাৰি পৌৰসভাৰ পৌৰপতিৰ লগতে চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে ৰাজ্যমন্ত্ৰীগৰাকীক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ প্ৰদানৰ ক্ষেত্ৰত বিশেষভাৱে সক্ষম আৰু তৃতীয় লিংগৰ ব্যক্তিকো সামৰি ল'বলৈ পৰামৰ্শ আগবঢ়ায়।

০০০

ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জন্ম শতবাৰ্ষিকী উদযাপন সমিতিৰ উদ্যোগত নৰম শিৱসাগৰ গ্ৰন্থ উৎসৱত সাহিত্যিকগৰাকীৰ জন্ম শতবৰ্ষ অনুষ্ঠানৰ আয়োজন কৰা হয়। শিৱসাগৰ নগৰৰ বোৰ্ডিং খেলপথাৰত ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সাহিত্য ক্ষেত্ৰত আয়োজন কৰা কাৰ্যসূচীত সাহিত্যিকগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। অনুষ্ঠানত উদ্বোধনী ভাষণ প্ৰদান কৰি সাহিত্যিক  দীপালী ভট্টাচাৰ্য বৰুৱাই বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সাহিত্য কৰ্ম আজিও প্ৰাসংগিক হৈ আছে বুলি মন্তব্য কৰে। অনুষ্ঠানত ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ কবিতাত প্ৰকৃতি আৰু ঐতিহ্যদ্যুতি সন্দৰ্ভত এটা বক্তৃতা প্ৰদান কৰা হয়।

০০০

গ্ৰামোন্নয়ন আৰু পঞ্চায়ত বিভাগৰ ৰাজ্যিক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি বাক্সা জিলাৰ মুছলপুৰত গ্ৰামোন্নয়ন বিভাগৰ সমল কেন্দ্ৰ এটাৰ আধাৰশিলা স্থাপন কৰে। জিলাখনৰ উন্নয়ন প্ৰশিক্ষণৰ সা-সুবিধা তথা সামৰ্থ্য বৃদ্ধিৰ লক্ষ্যৰে এই সমল কেন্দ্ৰটো নিৰ্মাণ কৰা হ'ব। প্ৰায় ২ কোটি টকা ব্যয়সাপেক্ষ এই সমল কেন্দ্ৰটোৰ আধাৰশিলা স্থাপন অনুষ্ঠানত বি-টি-আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ লগতে হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ ৰাজ্যিক মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম আদি উপস্থিত থাকে। এই উপলক্ষে মুছলপুৰ জিলা গ্ৰামোন্নয়ন অভিকৰণ কাৰ্যালয়ৰ

চৌহদৰ সমীপত আয়োজিত সভাত ভাষণ দি মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে নিৰ্মাণ হ'বলগীয়া এই সমল কেন্দ্ৰটোৱে সমাগত দিনত বিভিন্ন প্ৰশিক্ষণ প্ৰদানত পৰ্যাপ্ত সা-সুবিধা প্ৰদানৰ ক্ষেত্ৰত বিশেষ ভূমিকা ল'ব বুলি উল্লেখ কৰে। নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে এই কেন্দ্ৰটোৰ জৰিয়তে লাভ কৰা প্ৰশিক্ষণৰ দ্বাৰা বহুসংখ্যক ব্যক্তিয়ে জীৱিকা অৰ্জনৰ পথো মুকলি কৰিব পাৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। এই সভাতেই সমগ্ৰ বি-টি-আৰত ২১৪টা ভি চি ডি চিৰ কাৰ্যালয় নিৰ্মাণ কৰাৰ কথা মন্ত্ৰীগৰাকীয়ে সদৰি কৰে। উল্লেখযোগ্য যে অহা ডিচেম্বৰ মাহত সমগ্ৰ ৰাজ্যতে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয় যে এই গাঁও পঞ্চায়ত নিৰ্বাচনত কোনো ধৰণৰ দলীয় পতাকা নাথাকে।

ইয়াৰ পাছতে মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে মুছলপুৰত কেওট জাতীয় পৰিষদ, বাক্সা জিলা সমিতিৰ নৱনিৰ্মিত কমিউনিটী হল আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

ooo

কোকৰাঝাৰ জিলাৰ কাজিগাঁও থানাৰ অন্তৰ্গত শান্তিপুৰত যোৱা ৪ অক্টোবৰত সংঘটিত গুলিচালনাৰ ঘটনাৰ সৈতে জড়িত দুজন ব্যক্তিক আৰক্ষীয়ে আটক কৰে। ভাৰতীয় ষ্টেট বেংকৰ এখন চি এছ পিৰ স্বত্তাধিকাৰী যুৱকক দুৰ্বৃত্তই গুলিচালনা কৰি নগদ ধন কাঢ়ি নিয়া সন্দৰ্ভত কচুগাওঁৰ দুজন ব্যক্তিক আটক কৰে বুলি মহকুমা আৰক্ষী বিষয়াই এখন সংবাদমেলৰ জৰিয়তে প্ৰকাশ কৰে। আৰক্ষীয়ে ধৃত ব্যক্তিদ্বয়ৰ পৰা এটা পিষ্টল আৰু কিছুসংখ্যক গুলি উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে।

ooo

আকাশবাণী গুৱাহাটীৰ দৃষ্টিহীন সকলৰ বাবে এটা বিশেষ পৰিকল্পনা গ্ৰহণ কৰি বিশেষভাৱে সক্ষম দৰ্শকে উপভোগ কৰিব পৰাকৈ অনাতাঁৰ নাটকৰ মঞ্চৰূপৰ ব্যৱস্থা কৰিছে। এই উদ্দেশ্যেৰে অসমৰ বিভিন্ন ঠাইৰ লগতে নতুন দিল্লীৰ ৰাষ্ট্ৰীয় নাট্য বিশ্ববিদ্যালয়তো পৰিবেশন হোৱা মঞ্চ নাটক তোমাৰ নিবিড় মায়াৰেৰ অহা ২১ অক্টোবৰত পৰিবেশিত হবলগীয়া মঞ্চাভিনয় দৃষ্টিহীনসকলৰ বাবে বিশেষ আসনৰ ব্যৱস্থা কৰা হৈছে। নাট্য পৰিবেশনৰ পাছত বিশেষভাৱে সক্ষম দৰ্শকসকলৰ নাটক উপভোগৰ অভিজ্ঞতা সন্দৰ্ভত এটা ছুটি আলোচনা অনুষ্ঠিত হ'ব। অনুষ্ঠানটিত আকাশবাণী আৰু দূৰদৰ্শনৰ অতিৰিক্ত সঞ্চালক প্ৰধানকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত হবলগীয়া নাট্য সন্ধিয়াটো আগ্ৰহী দৃষ্টিহীন দৰ্শকসকলে এই বিষয়ত নাট শাখাৰ সৈতে ৯৪০১ ০৮ ৩০১৮ নম্বৰত যোগাযোগ কৰিব পাৰিব।

ooo

কৰিমগঞ্জ জিলা প্ৰশাসনৰ সহযোগত জিলা শিশু সুৰক্ষা গোটে জিলাখনৰ শিক্ষকসকলৰ সৈতে শিশু সুৰক্ষা বিষয়ৰ ওপৰত আজি জিলা পৰ্যায়ৰ এটা প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰে। অনুষ্ঠানত বক্তাসকলে শিশু বিবাহ নিষেধাজ্ঞা আইন, শিশু শ্ৰম নিষেধাজ্ঞা আইন, পকছ' আইন, শিশু সৰবৰাহ আইন আদিৰ বিষয়ে বিশেষভাৱে আলোকপাত কৰে। অনুষ্ঠানত কৰিমগঞ্জ জিলা শিশু কল্যাণ সমিতিৰ অধ্যক্ষগৰাকীয়ে সমাজৰ প্ৰতিটো শিশুৰ সুৰক্ষা ক্ষেত্ৰত আমি সকলোৱে সচেতন আৰু সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব লাগিব বুলি মন্তব্য কৰে। অনুষ্ঠানত সহকাৰী আয়ুক্ত, জিলা শিশু বিষয়া আৰু জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে।

ooo

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্যোগত আৰু গুৱাহাটী মহানগৰী জিলা শাখাৰ সহযোগত কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীৰ ৰূপনগৰৰ শংকৰী সংস্কৃতি কেন্দ্ৰৰ বংশীৰাম বড়ো সমন্বয় ক্ষেত্ৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ কেন্দ্ৰীয়ভাৱে উদযাপন কৰিবলৈ লোৱা হৈছে। কাইলৈ অনুষ্ঠানৰ প্ৰথম দিনা পুৱা প্ৰাতঃপ্ৰসঙ্গৰ পাছতে নাম প্ৰসংগ, আলোচনাচক্ৰ, সাংস্কৃতিক অনুষ্ঠানৰ লগতে সন্দিয়াৰ ভাগলৈ **ৰুক্মিণী হৰণ** ভাওনা প্ৰদৰ্শন কৰা হ'ব।

ooo

নলবাৰী জিলাৰ টিহু অঞ্চলৰ ভোজকুছি গাঁৱৰ নিবাসী গীতিকাৰ, প্ৰফুল্ল পাঠকৰ আজি পুৱা মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৫ বছৰ। তেওঁ আকাশবাণী গুৱাহাটীৰ স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ আছিল।

ooo

নিউজিলেণ্ডৰ বিৰুদ্ধে বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্রিকেট শৃংখলাৰ প্ৰথমখন খেলৰ তৃতীয় দিনৰ সামৰণিত দ্বিতীয় ইনিংছত ভাৰতে ৩ উইকেটৰ বিনিময়ত ২৩১ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। নিউজিলেণ্ডৰ প্ৰথম ইনিংছতকৈ ১২৫ ৰানত পিছপৰি থকা ভাৰতৰ হৈ দ্বিতীয় ইনিংছত কোহলি আৰু ছৰফৰাজ খানে ৭০ ৰানকৈ কৰে। ইফালে, ৰোহিত শৰ্মাই ৫২ ৰানৰ বৰঙণি আগবঢ়ায়। নিউজিলেণ্ডৰ এজাজ পেটেলে দুটা উইকেট দখল কৰাৰ বিপৰীতে গ্লেন ফিলিপ্ছে এটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে ৰাছিন ৰবিন্দ্ৰৰ ১৩৪ ৰানৰ সহায়ত প্ৰথম ইনিংছত ৪০২ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ কুলদীপ আৰু জাদেজাই তিনিটাকৈ উইকেট দখল কৰিছে।

বিৰাট কোহলিয়ে টেষ্ট ক্রিকেটত ৯ হাজাৰ ৰান সম্পূৰ্ণ কৰিছে। কোহলিয়ে নিউজিলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত টেষ্টখনৰ দ্বিতীয় ইনিংছত এই কৃতিত্ব অৰ্জন কৰে। কোহলি - শচীন তেণ্ডুলকাৰ, ৰাহুল দ্ৰাবিড় আৰু সুনীল গাভাস্কাৰৰ পাছত এই সাফল্য অৰ্জন কৰা চতুৰ্থগৰাকী ভাৰতীয় বেট্ছমেন।

০০০

ঃঃ সমাপ্ত ঃঃ